**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-04-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**- - - - - - - - - - - - -**

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ তাৰকা প্ৰচাৰক তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত আজি মাজুলীত প্ৰচাৰ অভিযানত অংশ লয়। শ্ৰী সোণোৱালে গ্ৰাম্য অৰ্থনীতিৰ ভেটি সৱলীকৰণৰ লক্ষ্যৰে পঞ্চায়ত নিৰ্বাচনত সঠিক সিদ্ধান্ত ল'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে জিলা বিজেপিৰ কাৰ্যালয়ত দলীয় কৰ্মীৰ সৈতে এখন বিশেষ সাংগঠনিক সভাত মিলিত হয়।

শ্ৰী সোণোৱালে আজি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰত আন এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি মিত্ৰজোঁটৰ দ্বৈত ইঞ্জিন চৰকাৰৰ কল্যাণকামী পদক্ষেপসমূহে সকলো স্তৰৰ জনসাধাৰণৰ উপকৃত কৰি গ্ৰামাঞ্চলত নতুন দিগন্তৰ সূচনা কৰিছে। আৰু আত্মনিৰ্ভৰশীলতাৰ পথ প্ৰশস্ত কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰী সোণোৱালে আজি ডিব্ৰুগড়ৰ গজপুৰিয়াতো নিৰ্বাচনী সভাত ভাগ লয়।

জাগীৰোড বিধানসভা সমষ্টিৰ ২৯ খন পঞ্চায়তৰ বাবে অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসন সাজু হৈছে। সমষ্টিটোৰ বিধায়ক তথা মন্ত্ৰী পীযুষ হাজৰিকাই আজি জাগীৰোডত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে।

ইপিনে, পঞ্চায়ত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে। বজালী জিলা আয়ুক্ত মৃদুল কুমাৰ দাসৰ তত্বাৱধানত নিৰ্বাচনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। জিলাখনত নিয়োজিত নিৰ্বাচনী পৰ্যবেক্ষকে ইতিমধ্যে ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থীসকলৰ সৈতে আলোচনা কৰাৰ উপৰি ভোট কেন্দ্ৰসমূহ পৰিদৰ্শন কৰিছে। জিলাখনত ২৯৫ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে ২৭ গৰাকী খণ্ড বিষয়া আৰু ৫ গৰাকী মাণ্ডলিক বিষয়া নিয়োগ কৰা হৈছে। কামৰূপ জিলাৰ ১৮ খন জিলা পৰিষদ, ৯৭ টা আঞ্চলিক পঞ্চায়ত আৰু ৯১০ টা পঞ্চায়ত ৱাৰ্ড সদস্যৰ বাবে এহেজাৰ ৫৯৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে ৮০ টা ভোটকেন্দ্ৰ সম্পূৰ্ণৰূপে মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব। জিলাখনত নিৰ্বাচন পৰিচালনাৰ বাবে প্ৰায় ছহেজাৰ প্ৰিজাইডিং আৰু পোলিং বিষয়াক প্ৰশিক্ষণ দিয়া হৈছে। অসম-মেঘালয় সীমান্তত থক ভোট কেন্দ্ৰকে ধৰি আন আন স্পৰ্শকাতৰ ভোটকেন্দ্ৰসমূহত বিশেষ সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে।

০০০০

ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ সহযোগত আৰু ইণ্ডিয়ান ৰোডছ কংগ্ৰেছৰ উদ্যোগত আজিৰেপৰা দুদিনীয়াকৈ গুৱাহাটীত এখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। এই আলোচনা চক্ৰত আই আই টিৰ অধ্যাপক, বিভিন্ন প্ৰতিষ্ঠানৰ প্ৰযুক্তিবিদসকলৰ লগতে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়, ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড তথা বিভিন্ন ৰাজ্যৰ লোকনিৰ্মাণ বিভাগৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই আলোচনা চক্ৰত সেতু নিৰ্মাণৰ

পৰিকল্পনা আৰু ব্যৱস্থাপনাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা উন্নত পদ্ধতি, আধুনিক প্ৰযুক্তি বিদ্যা তথা কৌশলৰ প্ৰয়োগ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে। অংশগ্ৰহণকাৰীসকলক দক্ষতা আৰু গুণগতমান বৃদ্ধিৰ বাবে উদ্ভাৱনীমূলক আৰু কম ব্যয়ৰ প্ৰযুক্তিৰ ব্যৱহাৰ, গৱেষণা, নতুন নীতি, উন্নত কৌশল প্ৰযুক্তি আদিৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে অৱগত কৰোৱা হ'ব।

০০০০

বিদ্যায়তনিক দিশৰ উৎকৰ্ষ সাধনৰ অৰ্থে আজি বজালী জিলা অধিবিদ্যা পৰিষদৰ সহযোগত পাঠশালা চিনিয়ৰ চেকেণ্ডাৰী স্কুলত দিনযোৰা কাৰ্যসূচীৰে এখন সভা অনুষ্ঠিত হয়। সভাত বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতুপন হাজৰিকাই বিদ্যালয়ৰ প্ৰধানসকলৰ সৈতে এই সংক্ৰান্তীয় বিভিন্ন দিশ সন্দৰ্ভত মত বিনিময় কৰে। বিশেষকৈ গুণোৎসৱ আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল সন্তোষজনক নোহোৱা বিদ্যালয়সমূহৰ ফলাফল ভৱিষ্যতে কেনেদৰে উন্নত কৰিব পাৰি সেই সম্পৰ্কে পৰামৰ্শ প্ৰদান কৰে। তদুপৰি পৰিদৰ্শকগৰাকীয়ে শিক্ষা সেঁতুত শিক্ষক শিক্ষাৰ্থীৰ এশ শতাংশ উপস্থিতি নিশ্চিত কৰা, শিক্ষাৰ্থীসকলৰ পঠন, লিখন আৰু সাংখিক দক্ষতা উন্নত কৰা, নিয়মিতভাৱে অভিভাৱক সন্মিলন অনুষ্ঠিত কৰা আদি বিভিন্ন ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি পৰামৰ্শ দিয়ে। বিদ্যালয়সমূহত শিক্ষাৰ্থী অনুপাতে শিক্ষকৰ অভাৱ পূৰণ কৰাৰ বাবে তেওঁ আশ্বাস দিয়ে। সভাত বজালী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া উপস্থিত থাকি বিদ্যালয়সমূহৰ শৈক্ষিক পৰিবেশ উন্নত কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ নিশ্চিতি দিয়ে। বজালী জিলা অধিবিদ্যা পৰিষদৰ সভাপতিও সভাত অংশগ্ৰহণ কৰি সংশ্লিষ্ট সকলোকে নিজৰ বিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ উন্নত কৰাৰ বাবে আহ্বান জনায়।

০০০০

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই কাইলৈ আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

সকলোৰে বাবে জীৱনটো গোলাপৰ পাহিৰে সজোৱা বিচনাৰ দৰে নহয়। জীৱনত আছে বহু প্ৰত্যাহ্বান। ইয়াৰে কেতবোৰ প্ৰত্যাহ্বান জন্মগত আৰু আন কিছুমান আহে পৰৱৰ্তী কালত। এই প্ৰত্যাহ্বান নেওচিও কিদৰে সফলতাৰে জীৱন যাত্ৰাত আগুৱাব পাৰি, তাৰ কাহিনী লৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ২৭ এপ্ৰিল, দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত দুৰাৰোগ্য বুলি ভবা ৰোগৰ বিৰুদ্ধে যুদ্ধ কৰি আৰু শাৰীৰিক বাধাগ্ৰস্ততাকো নেওচি জীৱন যুদ্ধত জয়ী হোৱা কেইবাগৰাকীও লোকক পৰিচয় কৰাই দিয়া হ'ব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

সমাপ্ত